জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৮৩৭/২০২০**

**সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদ আৰু সদৌ অসম শ্বহীদ নিৰ্যাতিত পৰিয়াল পৰিষদৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ বৈঠক**

# গুৱাহাটীত কাৰ্যালয় নিৰ্মাণৰ বাবে ২ বিঘা ভূমি আৱণ্টনৰ পদক্ষেপ ল'বলৈ গৃহ বিভাগৰ প্ৰধান সচিবক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবেও মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদ আৰু সদৌ অসম শ্বহীদ নিৰ্যাতিত পৰিয়াল পৰিষদৰ সৈতে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত দুয়োটা সংগঠনৰ প্ৰতিনিধি বৰ্গই তেওঁলোকৰ দাবীসমূহ মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰে। বৈঠকৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শ্বহীদৰ ত্যাগ আৰু আদৰ্শৰ প্ৰতি সন্মান জনাই দুয়োটা সংগঠনক একত্ৰিত হৈ কাম কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দুয়োটা সংগঠনৰ প্ৰতিনিধি বৰ্গই অনতি পলমে একত্ৰিত হোৱাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

বৈঠকত দুয়োটা সংগঠনৰ প্ৰতিনিধিবৰ্গই গুৱাহাটীত কাৰ্যালয় নিৰ্মাণৰ বাবে ভূমি প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়। প্ৰতিনিধি বৰ্গৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই মুখ্যমন্ত্ৰী সোণোৱালে গুৱাহাটীত ২ বিঘা ভূমি কাৰ্যালয় নিৰ্মাণৰ বাবে প্ৰদানৰ যথোচিত পদক্ষেপ লোৱাৰ বাবে গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে এই কাৰ্যালয় নিৰ্মাণৰ বাবে ৫০ লাখ টকা প্ৰদানৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক নিৰ্দেশ দিয়ে। শ্বহীদ আৰু নিৰ্যাতিত পৰিয়ালৰ নিকটাত্মীয়ক সংস্থাপন প্ৰদানৰ দিশত যাৱতীয় পদক্ষেপ যুগুতোৱাৰ বাবে সংগঠন দুটাৰ প্ৰতিনিধি বৰ্গৰ সৈতে অতিশীঘ্ৰে এক আলোচনাত মিলিত হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে গৃহ বিভাগৰ প্ৰধান সচিবগৰাকীক আজিৰ এই বৈঠকতে নিৰ্দেশ দিয়ে। অসম আন্দোলনৰ যিসকল নিৰ্যাতিতই এতিয়ালৈকে আৰ্থিক সাহায্য পোৱা নাই তেওঁলোককো আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ চৰকাৰে মানৱীয়, নৈতিক আৰু জাতীয় দায়িত্বৰে শ্বহীদসকলৰ ত্যাগ আৰু আদৰ্শক জীয়াই ৰাখিবলৈ নিষ্ঠা সহকাৰে প্ৰয়াস চলাইছে। শ্বহীদৰ আদৰ্শক জীয়াই ৰাখিব পাৰিলে জাতিটোৱে শক্তিশালী ৰূপত ভৱিষ্যতেও বিশ্ব দৰবাৰত জিলিকি থাকিব পাৰিব।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

শ্বহীদসকলক প্ৰকৃত বীৰ তথা ত্যাগৰ প্ৰতীক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে শ্বহীদ স্মাৰক তথা শ্বহীদ উদ্যান স্থাপনৰ লেখীয়া পদক্ষেপসমূহ গ্ৰহণ কৰিছে বুলিও কয়।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকলৰ লগতে দুয়োটা সংগঠনৰ প্ৰতিনিধি বৰ্গও উপস্থিত থাকে।

**পুঃডেঃ**
**১৮/১২/২০২০**